আল্লাহে যেতিয়া তেওঁৰ কোনো বান্দাৰ বাবে ফয়চালা দিয়ে যে, তাৰ অমুক ঠাইত মৃত্যু হ’ব, তেতিয়া সেই ঠাইলৈ যোৱাৰ বাবে তাৰ কাৰণে এটা প্ৰয়োজনো সৃষ্টি কৰি দিয়ে।

মাত্বাৰ ইবনু উকামিছ ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বর্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: আল্লাহে যেতিয়া তেওঁৰ কোনো বান্দাৰ বাবে ফয়চালা দিয়ে যে,
তাৰ অমুক ঠাইত মৃত্যু হ’ব, তেতিয়া সেই ঠাইলৈ যোৱাৰ বাবে তাৰ কাৰণে এটা প্ৰয়োজনো সৃষ্টি কৰি দিয়ে।
[ছহীহ] [(তিৰমিজী)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, আল্লাহে যেতিয়া কোনো বান্দাৰ বাবে নিৰ্ধাৰণ কৰে যে, তাৰ অমুক ঠাইত মৃত্যু হ'ব, কিন্তু সি তাত নাথাকে, আল্লাহে তাক সেই ঠাইলৈ যোৱাৰ কাৰণে কোনো প্ৰয়োজন সৃষ্টি কৰি দিয়ে, ফলত সেই ঠাইলৈ যোৱাৰ পিছত তাৰ প্ৰাণহৰণ কৰা হয়।

http://www.sunnah.global/hadeeth/as/show/65040